# Third Evacuation Flight from Wuhan, China

February 27, 2020

---

# চীনৰ ৱুহানৰ পৰা কৰা তৃতীয়টো বিমানিক স্থান পৰিৱৰ্তন

ফেব্ৰুৱাৰী  27, 2020

ভাৰত চৰকাৰে মাস্ক, হাতমোজা আৰু অন্যান্য জৰুৰীকালীন চিকিৎসা সঁজুলি থকা 15 টন চিকিৎসা সাহাৰ্য 26 ফেব্ৰুৱাৰী, 2020 তাৰিখে চীনলৈ পঠিয়ায়। এই সামগ্ৰীসমূহ ইণ্ডিয়ান এয়াৰ ফ'ৰ্চৰ চি-17 বিশেষ বিমানে 26 ফেব্ৰুৱাৰীৰ দিনা গভীৰ সন্ধ্যা চীনৰ ৱুহানত অৱতৰণ কৰি প্ৰদান কৰে।

এই সাহাৰ্য চীনত হোৱা ক'ৰণা ভাইৰাছ (ক'ভিড-19)ৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি আৰু মাস্ক আৰু চিকিৎসা সঁজুলি বিচাৰি চীনে কৰা অনুৰোধৰ ভিত্তিত প্ৰদান কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিংলৈ 8 ফেব্ৰুৱাৰী 2020 তাৰিখে লিখা পত্ৰত ভাৰতবৰ্ষৰ লোকৰ  আৰু ভাৰত চৰকাৰৰ চীনৰ জনসাধাৰণ আৰু চীনা চৰকাৰৰ প্ৰতি থকা সংহতি তথা সদ্ভাৱৰ কথা উল্লেখ কৰিছিল আৰু এই সংকটৰ সময়ত চীনলৈ উপহাৰৰূপে সহায়-সাহাৰ্য যোগান দিবলৈ আগ্ৰহ প্ৰকাশ কৰে। এই চিকিৎসা সঁজুলিসমূহে চীনদেশক এই ৰোগৰ সংক্ৰমণ নিয়ন্ত্ৰণৰ বাবে কৰা প্ৰচেষ্টাক উদগনি জগাব যি ৰোগক বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে জনস্বাস্থ্য জৰুৰীকালীন পৰিস্থিতি হিচাপে ঘোষণা কৰিছে।

আজি যি সাহাৰ্য প্ৰেৰণ কৰা হৈছে সেইয়া চীনৰ জনগণৰ প্ৰতি ভাৰতৰ জনগণৰ বন্ধুত্ব আৰু একতাৰ চিন যিহেতু দুই দেশে এই বছৰ কূটনৈতিক সম্পৰ্ক স্থাপনৰ 70 তম বাৰ্ষিকী উদযাপন কৰিব।

ৱুহানৰ পৰা ঘূৰি আহিবৰ সময়ত, ইণ্ডিয়ান এয়াৰ ফ'ৰ্চৰ বিমানখনে 76 গৰাকী ভাৰতীয় নাগৰিক (ইয়াত 3 গৰাকী ভাৰতীয় দূতাবাসৰ বিষয়াও সন্নিৱিষ্ট হৈ আছে যিয়ে এই স্থান পৰিবৰ্তন কাৰ্যসূচী ৱুহানত থাকি পৰিচালনা কৰিছিল) আৰু আমাৰ চুবুৰীয়া দেশসমূহৰ 36 গৰাকী বিদেশী নাগৰিকক লৈ উৰা মাৰিছিল। এই বিদেশী নাগৰিকসকলে প্ৰধানমন্ত্ৰী মোডীৰ 'চুবুৰীয়া প্ৰথম নীতি'ৰ অধীনত ভাৰতলৈ আহিবলৈ সহায় বিচাৰিছিল| এই বিদেশী নাগৰিকসমূহৰ ভিতৰত আছিল বাংলাদেশৰ 26 গৰাকী নাগৰিক, চীনৰ 6 গৰাকী নাগৰিক, ম্যানমাৰ আৰু মালদ্বীপৰ 2 গৰাকীকৈ নাগৰিক আৰু দক্ষিণ আফ্ৰিকা, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু মাডাগাস্কাৰৰ 1 গৰাকীকৈ নাগৰিক। ৱৱ

আজিৰ এখন বিমানকে ধৰি মুঠ তিনিখন বিমানৰ আয়োজন কৰা হৈছে| আগৰ বিমানদুখনে 31 জানুৱাৰী আৰু 1 ফেব্ৰুৱাৰীত যাত্ৰা কৰিছিল। মুঠ 723 গৰাকী ভাৰতীয় আৰু 43 গৰাকী বিদেশী নাগৰিকক এই তিনিখন বিমানৰ দ্বাৰা চীনৰ ৱুহানৰ পৰা লৈ অনা হৈছে।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 27, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**